# কোৰিয়া গণতন্ত্ৰৰ বাবে আগমন কালত পৰ্য্যটন ভিছা সময়কাল বৃদ্ধি ।

এপ্ৰিল ১৬,২০১৪

ভাৰত চৰকাৰে কোৰিয়া গণতন্ত্ৰৰ(আৰওকে) নাগৰিক সকলৰ বাবে আগমন কালত পৰ্য্যটন ভিছাৰ সময় সীমা বৃদ্ধি কৰিছে আৰু ১৫ এপ্ৰিল ২০১৪ তাৰিখৰ পৰা ইয়াক কাৰ্য্যকৰী কৰা হৈছে ।

স্মৰণীয় যে দক্ষিন কোৰিয়াৰ ৰাষ্ট্ৰপতি মাডামে পাৰ্ক গিউন-হ্যায়ে ২০১৪ চনৰ জানুৱাৰী মাহত ভাৰতলৈ তেওঁৰ ৰাষ্ট্ৰীয় ভ্ৰমন কালত প্ৰধানমন্ত্ৰীয়ে এই আশ্বাস আগবঢ়াইছিল ।

এককালিন প্ৰৱেশ সুবিধাৰ জৰিয়তে খুব বেছি ৩০ দিনলৈ দিল্লী,মুম্বাই,চেন্নাই,কলকাটা,বেংগালুৰু,হাইদৰাবাদ,থিৰুৱানথ্বাপুৰম আৰু কোচী বিমান বন্দৰত আমেৰিকান ডলাৰ ৬০ অথবা সমান মুল্যৰ ভাৰতীয় টকাত ভিছা ফিজৰ বিনিময়ত আগমন কালৰ পৰ্য্যটন ভিছাৰ সুবিধা আগবঢ়োৱা হৈছে ।

স্বভাৱিকতে, যদিহে পৰ্য্যটক সকলে বিচাৰে চিউলত থকা ভাৰতীয় দূতাবাস কাৰ্য্যলয়ৰ পৰা আগতিয়াকৈ নিয়মিত ভাৱে উক্ত ভিছাৰ সুবিধা তেওঁলোকে গ্ৰহন কৰিব পাৰে ।

এই আগমন কালৰ পৰ্য্যটন ভিছাৰ সুবিধা যি সকল ব্যক্তিৰ কূটনৈতিক বিষয়াৰ/আনুষ্ঠানিক পাছপৰ্ট আছে তেওঁলোকৰ বাবে এই সুবিধা প্ৰযোজ্য নহব ,তাৰ অবিহনে তেওঁলোকৰ বাবে দুয়োখন দেশৰ মাজত থকা চুক্তি অনুসৰিহে তেওঁলোকক সুবিধা আগবঢ়োৱা হব ।

নতুন দিল্লী

এপ্রিল ১৬,২০১৪